নং ঃ ২৩৮/২০২১

**চাহ জনগোষ্ঠীৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে মত-বিনিময়ৰ উদ্দেশ্যে আয়োজিত 'হামদেৰ মনেৰ কথা' শীৰ্ষক বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# চাহ জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়নৰ কৰ্মসূচী প্ৰস্তুতৰ বাবে ৭খন উপ-সমিতি গঠনৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ

**দিছপুৰ, ৩০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত 'হামদেৰ মনেৰ কথা' শীৰ্ষক এক বিশেষ মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। আদিবাসী চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহৰ ৰূপ-ৰেখা প্ৰস্তুতৰ বাবে জনগোষ্ঠীটোৰ বিশিষ্ট বুদ্ধিজীৱী, শিক্ষাবিদ, সমাজকৰ্মী তথা নেতৃস্থানীয় ব্যক্তিসকলৰ সৈতে মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰীসভাৰ সদস্যসকলৰ মত-বিনিময়ৰ উদ্দেশ্যে চাহ জনজাতি কল্যাণ বিভাগৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলক উদ্দেশ্যি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰীয়ে কয় যে বৃহত্তৰ অসমীয়া সমাজখনৰ অবিচ্ছেদ্য অংগ চাহ জনগোষ্ঠীক সকলো দিশৰে পৰা আগুৱাই নিয়াৰ উদ্দেশ্যে বিগত ৫ বছৰত বিজেপি মিত্ৰজোঁটৰ চৰকাৰে বহুখিনি পদক্ষেপ গ্ৰহণ কৰিছিল যদিও এতিয়াও এই দিশত যথেষ্টখিনি কৰণীয় আছে। সেয়েহে, জনগোষ্ঠীটোৰ বিশিষ্ট নাগৰিকসকলৰ পৰা তেওঁলোকৰ মনৰ কথা শুনি এই দিশত যথোপযুক্ত কৰ্মসূচী যুগুতোৱাৰ বাবে আজিৰ এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত উপস্থিত থকা জনগোষ্ঠীটোৰ প্ৰতিনিধিসকলক খোলা মনেৰে তেওঁলোকৰ মনৰ ভাব প্ৰকাশৰ লগতে চৰকাৰৰ কৰণীয় সন্দৰ্ভত যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ জনাই মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ এই আলোচনা এই দিশত মাথোঁ এক পাতনিহে, পৰৱৰ্তী ছমাহ ধৰি চৰকাৰে এই আলোচনা অব্যাহত ৰাখিব বুলিও তেওঁ উল্লেখ কৰে। জনগোষ্ঠীটোৰ সৰ্বাংগীন বিকাশৰ বাবে চাহ জনজাতি অধ্যুষিত এলেকাৰ আন্তঃগাঁথনি উন্নয়ন, জনগোষ্ঠীটোৰ লোকসকলৰ বংশানুক্ৰমিক বৃত্তিৰ বিকল্প আৰু অতিৰিক্ত জীৱিকাৰ পথ অন্বেষণ, উপযুক্ত শিক্ষা ব্যৱস্থা, স্বাস্থ্য আন্তঃগাঁথনি, ভাষা, সাংস্কৃতিক উপাদান আৰু ঐতিহ্যৰ সংৰক্ষণ আদি বিভিন্ন দিশৰ ওপৰত হ্ৰস্বম্যাদী, মজলীয়া আৰু দীৰ্ঘম্যাদী কৰ্মসূচী গ্ৰহণৰ বাবে যাৱতীয় পৰামৰ্শ প্ৰদানৰ উদ্দেশ্যে জনগোষ্ঠীটোৰ বিশিষ্ট লোকসকলক লৈ ৭খন উপ-সমিতি গঠন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিষয়ৰ লগত সম্পৰ্কিত সংশ্লিষ্ট চৰকাৰী বিভাগৰ এগৰাকী বিষয়াক সমিতিৰ সদস্য সচিব হিচাপে ৰখা হ'ব। এই জনগোষ্ঠীৰ স্বাস্থ্য, শিক্ষা, দক্ষতা উন্নয়ন, সাহিত্য, সংস্কৃতি, ক্ৰীড়া, নিয়োগ ইত্যাদিৰ উত্তৰণৰ দিশত সমিতি কেইখনে পৰামৰ্শ আগবঢ়াব। এই সমিতিসমূহে অহা ডিচেম্বৰ মাহৰ ভিতৰত তেওঁলোকৰ

প্ৰতিবেদন দাখিল কৰিব আৰু তেওঁলোকে আগবঢ়োৱা পৰামৰ্শাৱলীৰ ভিত্তিত জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে পৰৱৰ্তী বাজেটত চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ সন্নিৱিষ্ট কৰিব। বাজেটত ধাৰ্য কৰিবলগীয়া এই আঁচনিসমূহে চাহ জনগোষ্ঠী তথা আদিবাসী সম্প্ৰদায়ৰ লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ এক নতুন দিগন্তৰ সূচনা কৰিব বুলিও তেওঁ কয়।

আজিৰ এই মত-বিনিময় অনুষ্ঠানত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ পৃথ্বী মাঝী, ড° ভৰেন তাঁতী, ডাঃ ধ্ৰুৱজ্যোতি কুৰ্মী, দুলামী হেৰেন্‌ছ, ড° কমল কুমাৰ তাঁতী, সুশীল চন্দ্ৰ কুৰ্মী, ৱিলফ্ৰেড তপ্ন', ভগীৰথ কৰণ, অৰুণ কাৱাৰ, মনোমতী কুৰ্মী, ভৰত তাঁতী, অনিল তাঁতী, ৰেণু গোৱালা, দিপাৱলী কুৰ্মী, মাচি তপ্ন', বহ্নী কুমাৰী তেলেঙা, ভদ্ৰ ৰাজোৱাৰ, নকুল চাওৰা, মানিকলাল মাহাতো, অশোক কুৰ্মী আদিকে ধৰি জনগোষ্ঠীটোৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। নিজৰ বক্তব্যত তেওঁলোকে স্বাধীনতাৰ পিছৰ সাতোটা দশকত পোন প্ৰথমবাৰৰ বাবে জনগোষ্ঠীটোৰ মনৰ কথা শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

চাহ জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়েও বক্তব্য প্ৰদান কৰে। চাহ জনজাতি কল্যাণ বিভাগৰ প্ৰধান সচিক ডাঃ জে বি এক্কাই সামৰণী ভাষণ প্ৰদান কৰা আজিৰ এই মত-বিনিময় অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহলকে ধৰি মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য, চাহ জনগোষ্ঠীৰ বহু কেইগৰাকী সাংসদ আৰু বিধায়ককে ধৰি জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা বহুকেইগৰাকী প্ৰাক্তন মন্ত্ৰী, সাংসদ আৰু বিধায়ক, চাহ জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকল আৰু বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্য সচিব জিষ্ণু বৰুৱাকে প্ৰমুখ্যে কৰি ৰাজ্যিক প্ৰশাসনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলো উপস্থিত থাকে।

**প্ৰঃকুঃবঃ / বঃভাঃ**
**৩০/০৮/২০২১**